**2019**

# PHILOSOPHY

( Major )

Paper : 5.3

**( Contemporary Western Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নিৰ্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ লিখা :

(a) "The world is the totality of facts, not of things." Who is associated with the statement?

"বিশ্বজগত তথ্যৰ সমষ্টি, বস্তুৰ নহয়।" এই উক্তিটোৰ লগত জড়িত দাৰ্শনিকজন কোন?

(b) Among the following philosophers, who is the author of the book, *Principia Ethica*?

নিম্নোক্ত দাৰ্শনিকসকলৰ ভিতৰত *Principia Ethica* নামৰ গ্ৰন্থখনৰ লিখক কোন?

(i) Gilbert Ryle

গিলবাৰ্ট ৰাইল

(ii) G. E. Moore

জি. ই. মুৰ

(iii) Wittgenstein

উইটগেইনষ্টাইন

(iv) A. J. Ayer

এ. জে. আয়াৰ

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(c) According to Russell, a fact is either true or false. Is it true?

ৰাচেলৰ মতে, এটা তথ্য হয় সত্য অথবা অসত্য। এইটো সত্যনে?





(d) Who among the following was a member of both Cambridge and Oxford philosopher?

নিম্নোক্ত দাৰ্শনিকসকলৰ ভিতৰত কোনজন দাৰ্শনিক কেম্ব্ৰিজ আৰু অক্সফোৰ্ড উভয় দলৰে সদস্য আছিল?

(i) G. E. Moore

জি. ই. মুৰ

(ii) Bertrand Russell

বাৰ্ট্ৰাণ্ড ৰাচেল

(iii) Ludwig Wittgenstein

লুড্‌ৱিগ উইটগেইনষ্টাইন

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(e) Who is the father of Logical positivism?

তৰ্কীয় প্ৰত্যক্ষবাদৰ জনক কোন?

(f) Ryle refutes the dualism of Plato/Descartes/Spinoza.

( Choose the correct alternative )

ৰাইলে প্লেটো/ডেকাৰ্ট/স্পিনোজাৰ দ্বৈতবাদ খণ্ডন কৰিছিল। ( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

*(g)* Analytic philosophers generally believed that philosophical problems arise out of our failure to use _____ properly.

( Fill in the gap )

বিশ্লেষণবাদী দাৰ্শনিকসকলে সাধাৰণতে বিশ্বাস কৰিছিল যে দাৰ্শনিক সমস্যাসমূহৰ উদ্ভৱ হয় যেতিয়া আমি _____ক যথাৰ্থভাৱে ব্যৱহাৰ কৰিবলৈ ব্যৰ্থ হওঁ।

( খালী ঠাই পূৰণ কৰা )

**2.** Answer briefly the following questions : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা :

*(a)* Write two differences between atomic and molecular proposition.

পাৰমাণৱিক আৰু আণৱিক বচনৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

*(b)* What does Ryle mean by 'Cartesian model'?

ৰাইলে 'কাৰ্টেছিয়ান মডেল' মানে কি বুজাইছে?

*(c)* What is atomic fact according to Russell?

ৰাচেলৰ মতে পাৰমাণৱিক তথ্য কি?

*(d)* What do you mean by 'Family Resemblance'?

'পাৰিবাৰিক সাদৃশ্য' মানে কি বুজা?





**3.** Answer any *three* of the following questions : 5×3=15

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

*(a)* Explain briefly Wittgenstein's view on private language.

ব্যক্তিগত ভাষা সম্পৰ্কে উইটগেইনষ্টাইনৰ মত কি, চমুকৈ ব্যাখ্যা কৰা।

*(b)* Discuss briefly the kinds of facts recognized by Russell in his logical atomism.

ৰাচেলৰ তৰ্কীয় পৰমাণুবাদত তথ্যৰ প্ৰকাৰসমূহ কি কি, চমুকৈ আলোচনা কৰা।

*(c)* What is 'official doctrine' according to Ryle? Discuss.

ৰাইলৰ মতে 'কাৰ্যালয় তত্ত্ব'টো কি? আলোচনা কৰা।

*(d)* State some examples put forward by Wittgenstein to explain the concept of language game.

ভাষাৰ খেল ধাৰণাটো ব্যাখ্যা কৰাৰ কাৰণে উইটগেইনষ্টাইনে আগবঢ়োৱা কিছুমান উদাহৰণ উল্লেখ কৰা।

(e) How did Moore distinguish between sensation and the object of sensation?

সংবেদন আৰু সংবেদিত বস্তুৰ মাজত মুৰে কেনেদৰে পাৰ্থক্য বিচাৰ কৰিছিল ?

(f) Is philosophy linguistic analysis? Discuss.

দৰ্শন ভাষাৰ বিশ্লেষণ হয়নে ? আলোচনা কৰা ।

4. Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ লিখা :

(a) What do you mean by logical atomism? Explain and examine Russell's view.

তৰ্কীয় পৰমাণুবাদ বুলিলে কি বুজা ? এই ক্ষেত্ৰত ৰাছেলৰ অভিমত ব্যাখ্যা আৰু বিচাৰ কৰা ।

(b) Who are the principal exponents of analytic movement? Bring out the salient features of the analytic trend in western philosophy.

বিশ্লেষণবাদী আন্দোলনৰ প্ৰধান হোতা কোন কোন ? পাশ্চাত্য দৰ্শনত বিশ্লেষণবাদী ধাৰাৰ বৈশিষ্ট্যবোৰ লিখা ।

(c) How does Moore attack the proposition 'Esse est percipi'? Does he thereby refute idealism?

মুৰে কেনেদৰে 'অস্তিত্ব প্ৰত্যক্ষনিৰ্ভৰ' বচনটো আক্ৰমণ কৰিছে ? ইয়াৰ দ্বাৰা তেওঁ ভাববাদ খণ্ডন কৰিলেনে ?





(d) What is Cartesian dualism? Give a critical account of Ryle's refutation of Cartesian dualism.

কাৰ্টেছিয়ান দ্বৈতবাদ কাক বোলে ? ৰাইলৰ কাৰ্টেছিয়ান দ্বৈতবাদ খণ্ডনৰ বিষয়ে এক বিচাৰমূলক ব্যাখ্যা আগবঢ়োৱা ।

(e) "A proposition is a picture of reality." Explain after Wittgenstein.

"এটা বচন হ'ল সত্তাৰ চিত্ৰ ।" উইটগেইনষ্টাইনৰ মত ব্যাখ্যা কৰা ।

(f) Explain and examine the language game theory of Wittgenstein.

উইটগেইনষ্টাইনৰ ভাষাৰ খেল মতবাদটো ব্যাখ্যা আৰু পৰীক্ষা কৰা ।

★ ★ ★

# 2019

## PHILOSOPHY

( Major )

Paper : 5.4

**( Ethics–I )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নির্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ দিয়া :

*(a)* Find out the odd one :

মিল নোখোৱাটো বাচি উলিওৱা :

*(i)* Intellect or reason

বুদ্ধি বা বিচাৰশক্তি

*(ii)* Freedom of will

ইচ্ছাৰ স্বাধীনতা

*(iii)* Punishment

শাস্তি

*(iv)* Personality

ব্যক্তিত্ব

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

*(b)* Who among the following is the author of the book, *A Treatise of Human Nature*?

তলত উল্লেখ কৰা সকলৰ ভিতৰত কোনগৰাকী *A Treatise of Human Nature* গ্ৰন্থখনৰ লেখক?

*(i)* G. E. Moore

জি. ই. মুৰ

*(ii)* David Hume

ডেভিড হিউম

*(iii)* George Berkeley

জৰ্জ বাৰ্কলি

*(iv)* A. J. Ayer

এ. জে. আয়াৰ

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )





*(c)* Is metaethics identical with analytic ethics?

অধিনীতিবিদ্যা বিশ্লেষণাত্মক নীতিবিদ্যাৰ লগত অভিন্ননে?

*(d)* Mention any one subject-matter of practical ethics.

ব্যৱহাৰিক নীতিবিদ্যাৰ যি কোনো এটা আলোচ্য বিষয় উল্লেখ কৰা।

*(e)* "Ethics is intelligible only in the context of religion." Is it true, according to Peter Singer?

"কেৱল ধৰ্মৰ পৰিপ্ৰেক্ষিতত‌হে নীতিবিদ্যা বোধগম্য হয়।" পিটাৰ ছিংগাৰৰ মতে এইটো সত্যনে?

*(f)* Who is the propounder of 'Paradox of Hedonism'?

'সুখবাদৰ বিৰোধাভাস'ৰ প্ৰস্তাৱক কোন?

*(g)* Who of the following does believe in 'Hedonistic calculus'?

তলত উল্লেখ কৰা কোনগৰাকীয়ে 'সুখবাদৰ গণনা প্ৰণালী'ক বিশ্বাস কৰে?

*(i)* Mill

মিল

*(ii)* Moore

মুৰ

*(iii)* Kant

কান্ট

*(iv)* Bentham

বেন্থাম

( Choose the correct alternative )

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

**2.** Briefly answer the following questions : 2×4=8

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

*(a)* State any two differences between judgement of fact and judgement of value.

তথ্যমূলক অৱধাৰণ আৰু মূল্যাত্মক অৱধাৰণৰ মাজত থকা যি কোনো দুটা পাৰ্থক্য প্ৰকাশ কৰা।

*(b)* What is deontological ethics?

কৰ্তব্যমূলক নীতিবিদ্যা মানে কি?

*(c)* What is Euthanasia?

করুণা-হত্যা বা ইচ্ছামৃত্যু মানে কি?

*(d)* Distinguish between gross egoistic hedonism and refined egoistic hedonism.

স্থূল বা অমাৰ্জিত আত্মসুখবাদ আৰু মাৰ্জিত আত্মসুখবাদৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰা।





**3.** Answer any *three* of the following questions : 5×3=15

তলত দিয়া প্ৰশ্নবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

*(a)* Write a short note on the utility of studying ethics.

নীতিবিদ্যা অধ্যয়নৰ উপযোগিতাৰ বিষয়ে এটি চমু টোকা লিখা।

*(b)* Distinguish between intrinsic value and extrinsic value with the help of suitable example(s).

উপযুক্ত উদাহৰণৰ সহায়ত স্বতঃমূল্য আৰু পৰতঃমূল্যৰ মাজত পাৰ্থক্য বিচাৰ কৰা।

*(c)* Write a short note on virtue ethics.

সদ্‌গুণৰ নৈতিক মতবাদৰ বিষয়ে এটি চমু টোকা লিখা।

*(d)* Distinguish between metaethics and normative ethics.

অধিনীতিবিদ্যা আৰু আদৰ্শনিষ্ঠ নীতিবিদ্যাৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(e) Briefly explain five points of difference between psychological hedonism and ethical hedonism.

মনোবৈজ্ঞানিক সুখবাদ আৰু নৈতিক সুখবাদৰ মাজত থকা পাঁচটা পাৰ্থক্য চমুকৈ ব্যাখ্যা কৰা।

**4.** What is ethics? Discuss the scope of ethics. 2+8=10

নীতিবিদ্যা মানে কি? নীতিবিদ্যাৰ পৰিসৰৰ বিষয়ে আলোচনা কৰা।

*Or / অথবা*

Is value subjective or objective? Discuss. 10

মূল্য আত্মগত নে বস্তুগত? আলোচনা কৰা।

**5.** What is practical ethics? Explain the relation between normative ethics and practical ethics. 2+8=10

ব্যৱহাৰিক নীতিবিদ্যা কি? আদৰ্শনিষ্ঠ নীতিবিদ্যা আৰু ব্যৱহাৰিক নীতিবিদ্যাৰ সম্পৰ্ক ব্যাখ্যা কৰা।

*Or / অথবা*

Discuss the origin and development of metaethics. 10

অধিনীতিবিদ্যাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা।





**6.** What is altruistic hedonism? Discuss its different forms. 2+8=10

পৰসুখবাদ কি? ইয়াৰ বিভিন্ন ৰূপসমূহ আলোচনা কৰা।

*Or / অথবা*

Critically discuss the utilitarianism of Mill. 10

মিলৰ উপযোগিতাবাদৰ এক বিচাৰমূলক আলোচনা আগবঢ়োৱা।

★★★

# 2019

## PHILOSOPHY

( Major )

Paper : 5.5

**( Philosophy of Religion )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

তলত দিয়াসমূহৰ নিৰ্দেশানুসৰি উত্তৰ দিয়া :

*(a)* Who was the main advocate of Fetishism?

ফেটিছবাদৰ মুখ্য প্ৰবক্তা কোন ?

*(b)* Who was the author of *Elementary Forms of the Religious Life*?

*Elementary Forms of the Religious Life*ৰ গ্ৰন্থকাৰ কোন ?

*(c)* Write the name of one main exponent of the psychological theories of the origin of religion.

ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় মনস্তাত্ত্বিক মতবাদৰ এগৰাকী মুখ্য প্ৰবক্তাৰ নাম লিখা ।

(d) Mysticism is mediate/immediate awareness of the ultimate reality.
( Choose the correct alternative )
ৰহস্যবাদ হ'ল পৰমসত্তাৰ মাধ্যম/অমাধ্যম উপলব্ধি।
( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(e) "When magic failed to achieve success, it gave rise to religion." Who said this?
"য'ত মেজিক ব্যৰ্থ হয়, তাতেই ধৰ্মৰ উন্মেষ ঘটে।" উক্তিটো কাৰ?

(f) Reason plays a significant role in the field of religious belief. ( Write True or False )
"ধৰ্মীয় বিশ্বাসৰ জগতত যুক্তিৰ এক উল্লেখযোগ্য ভূমিকা আছে।" ( শুদ্ধ নে অশুদ্ধ লিখা )

(g) Animism can be regarded as the earliest form of religion. ( Write True or False )
সৰ্বপ্ৰাণবাদ হ'ল ধৰ্মৰ আদিমতম ৰূপ।
( শুদ্ধ নে অশুদ্ধ লিখা )

2. Give brief answers of the following questions : 2×4=8
তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া :

(a) What is the Etymological meaning of Dharma?
ধৰ্মৰ ব্যুৎপত্তিগত অৰ্থ কি, লিখা।

(b) What is mana? Give two examples.
মানা বুলিলে কি বুজা? দুটা উদাহৰণ দিয়া।

(c) What is revelation?
দৈৱ অভিব্যক্তি মানে কি?





(d) What is the Etymological meaning of Animism?
Animismৰ ব্যুৎপত্তিগত অৰ্থ কি, লিখা।

3. Answer any *three* of the following questions : 5×3=15
তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **তিনিটাৰ** উত্তৰ দিয়া :

(a) "Philosophy of religion is not a part of religious teaching." Is it true? Give reasons for your answer.
"ধৰ্মদৰ্শন কোনো ধৰ্মীয় শিক্ষাৰ অংগ নহয়।" কথাষাৰ সত্যনে? তোমাৰ উত্তৰৰ সমৰ্থনত যুক্তি আগবঢ়োৱা।

(b) What is religion? Briefly explain some essential features of religion.
ধৰ্ম কাক বোলে? ধৰ্মৰ কেতবোৰ মৌলিক বৈশিষ্ট্য চমুকৈ ব্যাখ্যা কৰা।

(c) Briefly explain the role of reason in the field of religion.
ধৰ্মৰ জগতখনত যুক্তিৰ ভূমিকা চমুকৈ ব্যাখ্যা কৰা।

(d) Write a brief note on totemism.
টোটেমবাদৰ ওপৰত এটা চমু টোকা লিখা।

(e) Explain briefly Freud's theory of the origin of religion.
ধৰ্মৰ উৎপত্তি সম্পৰ্কে ফ্ৰয়ডৰ মতবাদটো চমুকৈ ব্যাখ্যা কৰা।

**4.** Answer any *three* of the following questions : 10×3=30

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

*(a)* Explain the nature and scope of philosophy of religion.

ধৰ্মদৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰ ব্যাখ্যা কৰা।

*(b)* What is magic? Explain the basic distinctions between magic and religion.

মেজিক বা যাদু বুলিলে কি বুজা? মেজিক আৰু ধৰ্মৰ মাজৰ প্ৰধান পাৰ্থক্যসমূহ ব্যাখ্যা কৰা।

*(c)* Which anthropological theory of the origin of religion is acceptable for you? Explain and give reason for your answer.

ধৰ্মৰ উৎপত্তি সম্পৰ্কীয় নৃতাত্ত্বিক মতবাদসমূহৰ ভিতৰত তোমাৰ বাবে কোনটো সৰ্বাধিক গ্ৰহণযোগ্য? নিজৰ মতৰ সমৰ্থনত যুক্তি আগবঢ়াই ব্যাখ্যা কৰা।

*(d)* Write an essay on mysticism.

ৰহস্যবাদৰ ওপৰত এখন ৰচনা লিখা।

*(e)* Critically examine fetishism as a theory of origin of religion.

ধৰ্মৰ উৎপত্তি তত্ত্ব হিচাপে ফেটিছবাদৰ সমালোচনাৰে সৈতে বৰ্ণনা কৰা।

*(f)* Discuss the necessity of studying philosophy of religion.

ধৰ্মদৰ্শন অধ্যয়নৰ প্ৰাসংগিকতা আলোচনা কৰা।

★★★

# 2019

## PHILOSOPHY

## ( Major )

Paper : 5.6

## ( Social Philosophy )

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নিৰ্দেশানুসৰি তলত দিয়াবোৰৰ উত্তৰ লিখা :

(a) Who were the first to develop social philosophy in India?

ভাৰতত কোনে প্ৰথমে সমাজ দৰ্শনৰ বিকাশসাধন কৰিছিল ?

(b) "Society is the web of social relationship." Who is the speaker of this statement?

"সমাজ হ'ল সামাজিক সম্পৰ্কৰ জাল।" এই উক্তিটোৰ প্ৰৱক্তা কোন ?

(c) Who is the author of *Leviathan*?

*Leviathan* গ্ৰন্থৰ গ্ৰন্থকাৰ কোন ?

(d) The feministic theory who admits women's individuality is known as liberal feminism/radical feminism.

( Choose the correct alternative )

নাৰীৰ ব্যক্তিত্বক স্বীকাৰ কৰা নাৰীবাদী মতবাদটোৰ নাম হ'ল উদাৰনৈতিক নাৰীবাদ/ৰেডিক্যাল নাৰীবাদ।

( শুদ্ধ বিকল্পটো বাচি উলিওৱা )

(e) Name one supporter of the organic theory.
আংগিক মতবাদৰ এজন সমৰ্থকৰ নাম লিখা।

(f) Marxian dialectical materialism is influenced by an idealistic philosopher. Write the name of this philosopher.
মাৰ্ক্সৰ দ্বান্দ্বিক বস্তুবাদ এগৰাকী ভাববাদী দাৰ্শনিকৰ দ্বাৰা প্ৰভাৱিত। এই দাৰ্শনিকগৰাকীৰ নাম লিখা।

(g) In modern sense, who first used the term 'sociology'?
আধুনিক দৃষ্টিভংগীত কোনে প্ৰথমে 'sociology' শব্দটো ব্যৱহাৰ কৰিছিল?

**2.** Answer the following questions briefly : 2×4=8
তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া :

(a) Name two works of the two ancient Indian social thinkers.
দুগৰাকী প্ৰাচীন ভাৰতীয় সমাজ চিন্তাবিদৰ দুখন গ্ৰন্থৰ নাম লিখা।

(b) Name two supporters of socialism.
সমাজতন্ত্ৰবাদৰ দুগৰাকী সমৰ্থকৰ নাম লিখা।

(c) Name any two international terroristic groups.
যি কোনো দুটা আন্তৰ্জাতীয় সন্ত্ৰাসবাদী দলৰ নাম লিখা।

(d) State the name of two Indian feminist thinkers.
দুগৰাকী ভাৰতীয় নাৰীবাদী চিন্তাবিদৰ নাম উল্লেখ কৰা।





**3.** Answer the following questions in brief (any *three*) : 5×3=15
তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া (যি কোনো তিনিটা) :

(a) What are the causes of globalization? Discuss briefly.
বিশ্বায়নৰ কাৰণসমূহ কি কি? চমুকৈ আলোচনা কৰা।

(b) Write a summary on radical feminism.
ৰেডিক্যাল নাৰীবাদৰ ওপৰত এটি সাৰাংশ লিখা।

(c) Write a short note on Gisbert's different aspects of social philosophy.
গিচবাৰ্টে আগবঢ়োৱা সমাজ দৰ্শনৰ বিভিন্ন দিশসমূহৰ ওপৰত এটি চমু টোকা লিখা।

(d) Express your own view for the eradication of terrorism.
সন্ত্ৰাসবাদ নিৰ্মূলকৰণৰ ক্ষেত্ৰত তোমাৰ নিজৰ মতামত প্ৰকাশ কৰা।

(e) Write a short note on class struggle.
শ্ৰেণী সংগ্ৰামৰ ওপৰত এটি চমু টোকা লিখা।

**4.** Answer any *three* of the following : 10×3=30
তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ লিখা :

(a) What is the meaning of social philosophy? Discuss the views of the early Greek thinkers about social philosophy.
সমাজ দৰ্শনৰ অৰ্থ কি? প্ৰাচীন গ্ৰীক চিন্তাবিদসকলে সমাজ দৰ্শন সম্পৰ্কে আগবঢ়োৱা অভিমতসমূহ আলোচনা কৰা।

(b) What is social philosophy? Explain the relation between social philosophy and ethics.

সমাজ দৰ্শন কাক বোলে? সমাজ দৰ্শন আৰু নীতিবিদ্যাৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰা।

(c) Define alienation. Explain and evaluate Marxian notion of alienation.

বিচ্ছিন্নতাবোধৰ সংজ্ঞা দিয়া। মাৰ্ক্সীয় বিচ্ছিন্নতাবোধৰ ধাৰণাটো ব্যাখ্যা আৰু মূল্যায়ন কৰা।

(d) What do you mean by feminism? Explain the origin and development of feminism.

নাৰীবাদ বুলিলে কি বুজা? নাৰীবাদৰ উদ্ভৱ আৰু বিকাশ ব্যাখ্যা কৰা।

(e) What is society? Explain the characteristics of society.

সমাজ কি? সমাজৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(f) Critically discuss individualism as a theory of the relation between individual and society.

ব্যক্তি আৰু সমাজৰ সম্পৰ্ক-সম্বন্ধীয় ব্যক্তিস্বাতন্ত্ৰ্যবাদ তত্ত্বটোক সমালোচনাসহ আলোচনা কৰা।

★★★